# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 12-05-2024
**Time :** 1800 Hrs

# *Assamese Evening Bulletin*

**- - - - - - -**

কাইলৈ লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ৰ ভোটগ্ৰহণ কৰা হ'ব। এই পৰ্যায়ৰ প্ৰচাৰ অভিযান কালি সন্ধিয়া ৬ বজাত অন্ত পৰে। কাইলৈ ১০খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯৬টা লোকসভা সমষ্টিৰ কাৰণে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। চতুৰ্থ পৰ্যায়ৰ নিৰ্বাচনত বহুকেইগৰাকী প্ৰভাৱশালী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় হ'ব। ইয়াৰ ভিতৰত প্ৰাক্তন মুখ্যমন্ত্ৰী অখিলেশ যাদৱ অন্যতম। সমাজবাদী পাৰ্টীৰ জ্যেষ্ঠ নেতাগৰাকীয়ে কনৌজ সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। শ্ৰীযাদৱৰ বিৰুদ্ধে বিজেপিয়ে বৰ্তমানৰ সাংসদ সুব্ৰত পাঠকে প্ৰতিদ্বন্দ্বিতা কৰিছে। উল্লেখযোগ্য যে সমাজবাদী পাৰ্টীৰ একালৰ দুৰ্গস্বৰূপ কনৌজত ২০১৯ বৰ্ষৰ সাধাৰণ নিৰ্বাচনত সমাজবাদী পাৰ্টীৰ ডিম্পল যাদৱ সুব্ৰত পাঠকৰ বিৰুদ্ধে পৰাস্ত হৈছিল।

একেদৰে, কাইলৈ তৃণমূল কংগ্ৰেছৰ নেত্ৰী মহুৱা মৈত্ৰৰ ভাগ্যও নিৰ্ণয় হ'ব। পশ্চিম বংগৰ কৃষ্ণনগৰ সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা শ্ৰীমৈত্ৰৰ বিৰুদ্ধে বিজেপি প্ৰাৰ্থী ৰাজমাতা অমৃতা ৰয় অৱতীৰ্ণ হৈছে। অভিনয় জগতৰ পৰা ৰাজনীতিত খোজ দিয়া শত্ৰুঘ্ন সিনহাইও তৃণমূল কংগ্ৰেছৰ পৰাই আছানচোল সমষ্টিত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। পশ্চিম বংগৰ বেৰহামপুৰ সমষ্টিত প্ৰভাৱশালী বিজেপি প্ৰাৰ্থী নিৰ্মল কুমাৰৰ বিৰুদ্ধে কংগ্ৰেছ প্ৰাৰ্থী অধীৰ ৰঞ্জন চৌধুৰী আৰু তৃণমূল কংগ্ৰেছৰ নেতা ইউচুফ পাঠান অৱতীৰ্ণ হৈছে।

কেন্দ্ৰীয় মন্ত্ৰী তথা ঝাৰখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী অৰ্জুন মুণ্ডাৰ ভাগ্যও সোমবাৰে ইভিএমত বন্দী হ'ব। শ্ৰীমুণ্ডাই ঝাৰখণ্ডৰ খুমটি সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। আনহাতে, বিহাৰৰ বেগুচৰাই সমষ্টিত কেন্দ্ৰীয় মন্ত্ৰী গিৰিৰাজ সিঙে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। শ্ৰীসিঙৰ হৈ কালি প্ৰচাৰৰ অন্তিম দিনা অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিৰ্বাচনী প্ৰচাৰ চলায়।

অন্ধ্ৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী ওৱাই এছ জগনৰেড্ডীৰ ভগ্নী ওৱাই এছ শৰ্মিলাই অন্ধ্ৰ প্ৰদেশৰ কড়াপ্পা সমষ্টিৰ পৰা কংগ্ৰেছ দলৰ হৈ প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। আনহাতে, তেলেংগানাত হায়দৰাবাদ সমষ্টিৰ পৰা তেলেগু অভিনেত্ৰী মাধৱীলতাই বিজেপিৰ হৈ প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

উল্লেখযোগ্য যে দেশৰ সাধাৰণ নিৰ্বাচনৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণ ইতিমধ্যে সম্পন্ন হৈছে। চতুৰ্থ পৰ্যায়ত মুঠ এহেজাৰ ৭১৭গৰাকী প্ৰাৰ্থীয়ে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। আনহাতে, পঞ্চম পৰ্যায়ত ২০ মে'ত ৪৯টা লোকসভা সমষ্টি, ২৫ মে'ত ষষ্ঠ পৰ্যায়ত ৫৭টা আৰু সপ্তম পৰ্যায়ত ১ জুনত আৰু ৫৭টা লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। অহা ৪ জুনত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

ooooo

অসম নাগালেণ্ড সীমান্তৰ লাহৰীজানত হেৰোইন সহ এজন যুৱকক অসম আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। ১৪টা চাবোনৰ বাকচত যুৱকজনৰ পৰা বুজন পৰিমাণৰ হেৰোইন খটখটীয়া আৰক্ষী থানাই জব্দ কৰে। বিশেষ সূত্ৰৰ পৰা লাভ কৰা তথ্য অনুসৰণ কৰি মহকুমা আৰক্ষী বিষয়াৰ নেতৃত্বত খটখটী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া

তথা অন্যান্য আৰক্ষী কৰ্মীসকলে চলোৱা অভিযানত ডিমাপুৰৰ পৰা অহা যুৱকজনক মাদকদ্ৰব্যসহ গ্ৰেপ্তাৰ কৰা হয়। আৰক্ষীয়ে ধৃত যুৱকজনৰ পৰা অধিক তথ্য আহৰণৰ বাবে খটখটী থানাত প্ৰাৰম্ভিক জেৰা অব্যাহত ৰাখিছে।

০০০০০

বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙা উদ্যানৰ দুৱাৰ অহা ১৫ মে'ৰ পৰা দেশী-বিদেশী পৰ্যটকৰ বাবে বন্ধ কৰা হ'ব। বিগত বৰ্ষৰ ১৫ অক্টোবৰত মুকলি হোৱা ২০২৩-২৪ পৰ্যটন বৰ্ষৰ অহা ১৫ মে'ত অন্ত পৰিব। ইতিমধ্যে যোৱা পহিলা মে'ৰ পৰা উদ্যানখনত হাতী চাফাৰী বন্ধ কৰি দিয়া হৈছে। ২০২৩-২৪ পৰ্যটন বৰ্ষত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানে পূৰ্বৰ সকলো অভিলেখ ভংগ কৰিবলৈ সক্ষম হয়। এই পৰ্যটন বৰ্ষটোত বৰ্তমানলৈকে ৩০ হাজাৰ ৯১৯ গৰাকী বিদেশী পৰ্যটককে ধৰি ৩ লাখ ২৭ হাজাৰ ৪৯০ গৰাকী পৰ্যটকে কাজিৰঙা ভ্ৰমণ কৰাৰ তথ্য লাভ কৰা হৈছে। এই সময়ছোৱাত উদ্যান কৰ্তৃপক্ষই ৮ কোটি ৮০ লাখ টকাৰ ৰাজহ লাভ কৰিছে।

০০০০০

শিৱসাগৰ নগৰ সমীপৰ ৰংঘৰ চাৰিআলিত থকা কৌমুদালয় নামৰ অনাথ আশ্ৰমৰ শিশুসকলৰ মাজত আজি তিনিটা মটৰ চাইকেল আৰোহী গোটে খাদ্য সামগ্ৰী আৰু সাজ পোচাক বিতৰণ কৰে। গোটকেইটাই শিশুসকলৰ মাজত চাউল-দাইল, চেনি, খাদ্য সামগ্ৰী, পোচাক আদি বিতৰণ কৰে। উল্লেখযোগ্য যে এই মটৰ চাইকেল গোটকেইটাই ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে দেশৰো ভিন ভিন স্থানত সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰাৰ লগতে অভাৱগ্ৰস্ত লোকসকলক বিভিন্ন ধৰণে সহায় আগবঢ়াই আহিছে।

০০০০০

উত্তৰ-পূব যোৰহাটৰ বাঘমৰা সৰ্বোদয় সংঘৰ উদ্যোগত তথা স্বেচ্ছাসেৱী সংগঠন প্ৰয়াসৰ সৌজন্যত দৃষ্টিহীনতা দূৰীকৰণৰ অংশ হিচাপে আজি এটা চকু পৰীক্ষা আৰু সুলভ মূল্যত চশমা প্ৰদান কাৰ্যসূচী অনুষ্ঠিত হয়। এই শিবিৰত কমেও ৯০ জন লোকৰ চকু পৰীক্ষা কৰি সুলভ মূল্যত চশমা প্ৰদান কৰা হয়। এই শিবিৰত ভালেসংখ্যক ব্যক্তিয়ে সহযোগিতা আগবঢ়ায়।

০০০০০

দেশৰ স্বাধীনতা আন্দোলনৰ এগৰাকী সেনানী ছবিলাল উপাধ্যায়ৰ ১৪৩ সংখ্যক জয়ন্তী আজি তেজপুৰৰ নেপালীপট্টিত উদযাপন কৰা হয়। ১৮৮২ চনৰ আজিৰ দিনটোতে এইজনা পুৰোধাৰ জন্ম হৈছিল। আজিৰ অনুষ্ঠাটিত উপাধ্যায়ৰ পৰিয়ালৰ সদস্যৰ লগতে কেইবাগৰাকীও ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়।

০০০০০

সমাপ্ত